৩

# অসম আদিত্য

❐ অসম আদিত্য, ডিব্ৰুগড় ❐ দেওবাৰ, ১০ নৱেম্বৰ, ২০২৪ ❐ ২৪ কাতি, ১৯৪৬ শক ❐

## অনাৱিষ্কাৰ হৈ থকা এখন জগতৰ স'তে গ্ৰন্থই সেতুবন্ধন কৰে ঃ অধ্যক্ষ ড° শইকীয়া

# কানৈ মহাবিদ্যালয়ত দুখনকৈ গ্ৰন্থ উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ নৱেম্বৰ ঃ** মানুহৰ হৃদয়ত অনাৱিষ্কাৰ হৈ থকা এখন জগতৰ স'তে গ্ৰন্থই সেতু বন্ধন কৰে।— ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় সাহিত্য সভাৰ যুটীয়া উদ্যোগত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। বিশিষ্ট কবি তথা ৰে'লৱে বিষয়া অনুপম মহন্তৰ কাব্যগ্ৰন্থ 'অনুভৱ' উন্মোচন কৰি অধ্যক্ষ ড° শইকীয়াই কয়— জন্মৰ পৰা মৃত্যুলৈকে মানুহৰ বিভিন্ন অনুভৱ থাকে, সেই অনুভৱবোৰ লিপিবদ্ধ কৰি ৰাখিলে মানুহে নিজৰ জীৱনটোক বুজি পোৱা আৰু জনাত সহজ হয়। পুথিভঁৰালক প্ৰাচুৰ্যৰ ভঁৰাল বুলি উল্লেখ কৰি তেওঁ কয়—যিসকলৰ গ্ৰন্থৰ প্ৰতি আগ্ৰহ নাই, সেইসকলৰ জীৱনটো তেনেই খন্তেকীয়া আৰু গ্ৰন্থৰ প্ৰতি আগ্ৰহীসকলৰ জীৱনটো বহু দীঘলীয়া হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে



উদ্দেশ্য ব্যাখ্যা কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানটিত অনুপম মহন্তৰ 'অনুভৱ' কাব্যগ্ৰন্থখনৰ বহু সুন্দৰ কথাৰ বিশ্লেষণ আগবঢ়াই তেওঁ কয়— পৃথিৱীৰ সুন্দৰ আৰু শ্ৰেষ্ঠ বস্তুবোৰ চাব বা স্পৰ্শ কৰিব নোৱাৰি, কেৱল হৃদয়েৰে অনুভৱ কৰিব পাৰি। তেওঁ কয়— মানুহৰ অনুভৱ যেতিয়ালৈকে থাকিব, তেতিয়ালৈকে পৃথিৱীত কবিতা জীয়াই থাকিব। বিশিষ্ট সাংবাদিক, লেখক যাদৱ গগৈয়ে উদ্বোধন কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানটিৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা 'সাম্প্ৰতিক সময়ৰ কাব্য চৰ্চা ঃ এক অৱলোকন' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° মৃদুল শৰ্মাই কয়— কবিতাই সময়ে সময়ে নিজৰ ৰূপ সলনি কৰি গৈ আছে। কবিতাৰ ৰূপ সলনি হৈছে যদিও আজিৰ যুগৰ কবিতাত ৰামধেনু যুগৰ কবিতাৰ বিস্তাৰ প্ৰচলিত হৈ আছে বুলি মন্তব্য প্ৰকাশ কৰি কবিতা আৰু সাহিত্যৰ বহু সুন্দৰ বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট গল্পকাৰ তথা ৰে'লৱে বিষয়া গীতি শৰ্মাৰ 'হৃদয়ৰ স্পন্দন' শীৰ্ষক গল্প সংকলনখন উন্মোচন কৰি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক ভূষণজ্যোতি সন্দিকৈয়ে কয়— গল্পকাৰে সমাজত দৈনন্দিন ঘটি থকা ঘটনাসমূহ খুব সুন্দৰ তথা সহজ-সৰলভাৱে তেওঁৰ গল্পত লিপিবদ্ধ কৰিবলৈ চেষ্টা কৰিছে। মাধুৰীমা মহন্ত দত্তই পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক, সমালোচক গন্ধেশ্বৰ শইকীয়াই। অনুষ্ঠানটিত বিশিষ্ট কবি বিজু শৰ্মা, দিখৌমুখ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা চলচিত্ৰ সমালোচক ড° প্ৰাঞ্জল বৰাই সাৱলীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটিত অনুপম মহন্তৰ মাতৃ, পত্নী, দুই কন্যাকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি আৰু কানৈ মহাবিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে কবি অনুপম মহন্তই।